শুনা সখি
সুখ্যাত
জীৱনৰ ছন্দ

শ্ৰীজনাৰ্দ্দন ঠাকুৰ

শুনা সখি
সুখ্যাত
জীৱনৰ ছন্দ

"কেয়ূৰা ন বিভূষয়ন্তি পুৰুষং হাৰা ন চন্দ্ৰোজ্জ্বলাঃ
ন স্নানং ন বিলেপনং ন কুসুমংনালঙ্কৃতা মুৰ্দ্ধজাঃ।
বাণ্যেকা সমলঙ্কৰোতি পুৰুষং যা সংস্কৃতা ধাৰ্য্যতে
ক্ষীয়ন্তে খলুভূষণানি সততং বাক্‌ভূষণং ভূষণম্‌॥"

—শ্ৰীভৰ্তৃহৰি।

শ্ৰীজনাৰ্দ্দন ঠাকুৰ

যোৰহাট।

প্ৰকাশক :—

শ্ৰীপ্ৰেমধৰ ৰাজখোৱা

যোৰহাট।

গ্ৰন্থকাৰৰ দ্বাৰা সকলো স্বত্ব সংৰক্ষিত

মূল্য :— ৫০ নয়া পয়চা

নিবেদন

এই পুথি সম্পৰ্কে এটি কথা ইয়াত উল্লেখ কৰিলে বোধহয় অপ্ৰাসঙ্গিক নহ'ব। যোৰহাট বাণী সন্মেলনৰ অধিবেশনৰ কাৰণে মাজে মাজে এনে ধৰণৰ জীৱন-ছন্দ, প্ৰবন্ধ আৰু একাঙ্কিকা আমি ৰচনা কৰো। তাৰে মাথোন কেইটি-মান ছন্দ ইয়াত আগবঢ়োৱা হৈছে। বাকীবোৰ আমাৰ "স্মৃতিৰ পানচৈ" নামৰ পুথিত সন্নিবিষ্ট কৰা হৈছে। সুবিধা পালে প্ৰকাশ কৰা হ'ব। বাণী সন্মেলনৰ সুযোগ্য সম্পাদক মোৰ অগ্ৰজপ্ৰতিম শ্ৰীআনন্দ বৰুৱাই এই পুথি সম্পৰ্কে এটি উক্তি দিছে। সেই বাবে তেখেতলৈ আন্তৰিক শ্ৰদ্ধা আগবঢ়ালো।

শ্ৰীজনাৰ্দ্দন ঠাকুৰ।

—অৰ্পণ—



যোৰহাট বেজবৰুৱা উচ্চ বিদ্যালয়ৰ প্ৰধান
শিক্ষক সাহিত্যানুৰাগী শ্ৰীযুত টঙ্কেশ্বৰ
চলিহা দেৱৰ হাতত শ্ৰদ্ধাৰ নিদৰ্শন
স্বৰূপে "জীৱনৰ ছন্দ"
অৰ্পণ কৰিলো।

—উক্তি—

নীল আকাশখনত জলমলাই থকা লক্ষ কোটি তৰা বিলাক যদি নাথাকিলহেঁতেন, অকল জোন আৰু বেলিয়েই যদি আকাশখন দখল কৰি থাকিলহেঁতেন, তেতিয়া কিজানি নীল আকাশখনৰ বৈচিত্ৰ একেবাৰেই নাইকিয়া হলহেঁতেন। এইটো কল্পনাৰ দৃষ্টিৰে চাই ভাবিব লগীয়া কথা। মানৱ জগতৰ মনত অন্ধকাৰ আছেই আৰু এই অন্ধকাৰ ভেদ কৰি আলোক-ৰশ্মি পাৰলৈ প্ৰত্যেক মানুহৰ মনে সদায়েই যুদ্ধ কৰিব লাগিছে। এই যুদ্ধখনেই এটা সংঘাত। কল্পনাৰ প্ৰাচুৰ্য্য থকা মনত এই সংঘাত বোৰেই সৃষ্টি কৰে বিচিত্ৰ ভাবৰ মাধুৰ্য্য। সত্য-সন্ধানী শ্ৰীজনাৰ্দ্দন ঠাকুৰৰ কল্পনাত যি কেইজন আলোক সন্ধানীৰ স্মৃতিয়ে সংঘাত সৃষ্টি কৰিলে, সেই পাঁচোটি সুখ্যাত জীৱনৰ ছন্দ ইয়াত আছে। ইয়াৰ কেইবাটিও ছন্দ বাণী সন্মেলনৰ অধিৱেশনত পঠিত হৈছিল। সত্যান্বেষী পাঠক সকলৰ কাৰণে এই ক্ষুদ্ৰ কিতাপ খনিত মহান আলোকৰ ৰশ্মি ৰেখা আছে—লেখা আছে জীৱনৰ জয় গান। শ্ৰীজনাৰ্দ্দনৰ কিতাপখন "ছাত্ৰ বন্ধু"—বিপথ-গামীৰ পথ-প্ৰদৰ্শক।

যোৰহাট ছোলাধৰা
কাৰ্ত্তিক সংক্ৰান্তি
১৬-১১-৫৮

শ্ৰীআনন্দ বৰুৱা

—সখি, দূৰ, বহু দূৰ ··· সেই অন্ধকাৰ অতীতত···,
এদল সুখ্যাত আলোক সন্ধানীৰ কণ্ঠতেই
পোন প্ৰথমে উঠিছিল পোহৰ লাগে,
পোহৰ লাগে ধ্বনি···, জিজ্ঞাসাৰ উপৰি জিজ্ঞাসা—
"কস্মৈ দেবায় হবিষা বিধেম ?"

*   *   *   *

দেখিছোঁ ··· এনে ঐকান্তিকতা লৈ
পোহৰৰ বাবে, সুন্দৰৰ বাবে আকুলি-বিকুলি হৈ
সুখ্যাত সেই সন্ধানী দলে যুগে যুগেই অভিযান কৰি আছে
কল্যাণৰ মহত্বৰ আৰু সভ্যতাৰ প্ৰতিষ্ঠাৰ বাবে।

*   *   *   *

হে অমৰ শিল্পী,
হে সাহিত্যিক, হে কবি,
হে জাতিৰ নেতা,
হে সুখ্যাত আলোক সন্ধানী দল !

যুগ যুগ ধৰি নব-সংস্কৃতিৰ মহা সম্ভাৰ লৈ
সমাজৰ আৰু দেশৰ জীৱন ক'ৰিছা কল্যাণময়
গাণ্ডীবধাৰী ফাল্গুনীৰ দৰে বিৰোধীৰ বুকুত বজ্ৰ হানি
মহা আদৰ্শৰ বৰ্ত্তি জ্বলাই বজাই বিজয় তুৰ্য্য।

*   *   *   *

জ্ঞানৰ বৰ্ত্তিয়ে নাশক তিমিৰ
গুচক পঙ্কিলতা,
সাৰ্থক হওক তোমালোকে গঢ়া
সংস্কৃতি সভ্যতা।

—আলোক সন্ধানী দলৰ অগ্ৰগণী—

—গৌতম—

*

—কালিদাস—

*

—শঙ্কৰদেৱ—

*

—ৰবীন্দ্ৰনাথ—

*

—জ্যোতিপ্ৰসাদ—

সন্ধানীৰ অগ্ৰগামী

—এক—

জগজ্জ্যোতি

হে গৌতম !

পূৰ্ণিমাৰ এটি নিশা এটি অতি শুভ-মুহূৰ্ত্তত
ভূমিষ্ঠ যিদিনা হ'লা পুণ্যভূমি কপিলাবস্তুত
উঠিছিল ৰাজ্যজুৰি জন্ম-জয়ধ্বনি—
আৰু বিলাস-কাৰেং এৰি সত্যৰ সন্ধানী হৈ
সেই একে পূৰ্ণিমা তিথিৰে এটি শুভ-মুহূৰ্ত্তত
যেতিয়া লভিলা তুমি বোধিসত্ত্ব,
তেতিয়াও অযুত কণ্ঠে গালে তোমাৰেই মাহাত্ম্যৰ গীতি
বাজি ৰ'ল বিশ্বৰ বুকুতো সেই সুৰৰেই ধ্বনি।

হে সিদ্ধাৰ্থ, হে সম্যক্ সম্বুদ্ধ !
তোমাৰ নামৰ সুধা পান কৰি সম্ৰাট অশোকে
প্ৰচাৰিলে বুদ্ধনীতি সমগ্ৰ ৰাজ্যত,
সঙ্ঘমিত্ৰা মহীন্দ্ৰনামৰ আদৰৰ পুত্ৰ-কন্যা দুটি
নিয়োজিলে মহাৰাণী বিস্তাৰ কাৰ্য্যত।

সাৰিপুত্ত মহামোগল্লানে বোধিদ্ৰুম শাখা হাতে
ভ্ৰমিছিলে দেশে দেশে নগৰে নগৰে
উজলালে কত হৃদি, কত প্ৰাণ জগাই তুলিলে
তোমাৰেই অমৃত বাণীৰে।
হে অমিতাভ!
পোহৰ সন্ধানী তুমি—
জগতক দেখুৱালা অজ্ঞান-আন্ধাৰ
কি দৰে বিদীৰ্ণ কৰে জ্ঞানৰ পোহৰে
সেই বাবে, তোমাৰে বন্দনা গায় জগতবাসীয়ে—
"কেশৱ ধৃত বুদ্ধ শৰীৰ জয় জগদীশ হৰে।"

"নমো নেদিষ্ঠায় প্ৰিয়দৱ দবিষ্ঠায় চ নমো
নমঃ ক্ষোদিষ্ঠায় স্মৰহৰ মহিষ্ঠায় চ নমঃ।
নমো বৰ্ষিষ্ঠায় ত্ৰিনয়ন যবিষ্ঠায় চ নমো
নমঃ সৰ্ব্বস্মৈতে তদিদমতি সৰ্ব্বায় চ নমঃ।

—দুই—

মহাকবি কালিদাস

হে কবি কালিদাস!
তোমার পবিত্র স্মৃতি করিছো বরণ
কুবি শতিকার এই সংঘাত ক্ষণত—
কীরিতি সুন্দর তব কবি সুমরণ
ছন্দিত হৈ উঠে মন-তপোবন
হে কবি! তুমি যাক সঙ্গোপনে রচিছিলা মেঘদূত
আহারব কোন সেই শুভ-লগনত?
সুমরিছো আমি তাকে কুবি শতিকার
এই সংঘাত ক্ষণত।
নিবিবি সজল কান্তি নব জলধর
উথলি উঠিল মন বিবহী যক্ষর
তেওঁবে বিবহী প্রাণ উপলক্ষ কবি
হে কবি, বচিলানে মেঘদূত নিখিল বিশ্বব যাক বিবহ সুমবি?

পুলকিত প্ৰাণে সেয়ে কয় বাৰম্বাৰ
পূৰ্ণ হ'ল সিদ্ধি হ'ল সাধনা তোমাৰ
বিশ্বৰ বীণাত তুমি যি সুৰৰ ঝঙ্কাৰ তুলিলা
হে কবি, নীৰৱ নহব সি আৰু কোনো দিনা।
জনম ক্ষণত তোমাৰ যি ধ্বনি উঠিল বাজি
সমগ্ৰ জাতিৰে সি যে জন্ম-জয়ধ্বনি—
সেই ক্ষণ যদিওবা অতীতৰ কালৰ গৰ্ভত,
তথাপিতো, হে কবি। অসীম অনন্ত কাল জিনি মহাকাল
থাকিব তোমাৰ দূত—মেঘমালা—
জয় কবি জীৱন-মৰণ।

"ওঁ ভদ্ৰং কৰ্ণেভিশৃণুয়াম দেবা
ভদ্ৰং পশ্যেমাক্ষভিৰ্যজত্ৰা।
স্থিৰৈৰঙ্গৈস্তুষ্টুবাংস স্তনূভি
ৰ্বশেম দেবহিতং যদায়ুঃ।"
—ঋগ্বেদ।

—তিনি—

শ্ৰীমন্ত শঙ্কৰ

হে মানব-কল্যাণকামী শ্ৰীমন্ত শঙ্কৰ!
ভূ-তলত অৱতীৰ্ণ হৈ পঙ্কগামী মানুহৰ উদ্ধাৰ মানসে
দেখুৱালা হে দেৱ,
নিষ্ঠাৰ
জিজ্ঞাসাৰ
নিষ্কাম কৰ্ম্মৰ বাট
হয় যাতে জনম সাৰ্থক,
জীৱন হয় সত্য সুন্দৰ মঙ্গলময়

দেখুৱালা হে দেৱ, আত্মাৰ অমৃত পন্থা
পদবন্ধে ৰচি গ'লা ধৰমৰ তত্ত্ব
ভৱসিন্ধু তৰণৰ উপায় প্ৰদানি
দি গ'লা নামৰ অমিয়া
ওপচাই পিপাসুৰ হিয়া!

কিন্তু মহামূঢ়, পথভ্ৰান্ত পথিক আমি—
আজি ক'ত আমাৰ আন্তৰিকতা!
শুদ্ধ সৎ জ্যোতিৰ অনুশীলন কৰিছো ক'ত!
ৰক্ষা কৰিছো ক'ত দয়া ক্ষমা পৰোপকাৰ
অহিংসাৰ এই চাৰি স্তৰ!
বক্ষিব নোৱাৰা বাবে নীচতাই হীনতাই
সৎ বৃত্তি গ্ৰাস কৰা বাবে

হোৱা বাৰে ক্ষমতাৰ অপব্যৱহাৰ—
ধৰণীত আজি হাহাকাৰ অনাটন অবিচাৰ
লাঞ্ছিত বঞ্চিত আজি নৰ-নাৰায়ণ।

জগোৱা, জগাই তোলা, হে সত্য শুদ্ধ নিৰ্ম্মল আতমা
তোমাৰ জ্যোতিৰে সতে মানৱত্ব জগাই তোলা
মানৱত্ব স্ফুৰণ কৰা—
তোমাৰ আশীষে যেন সবাৰো হৃদয় আলোকেৰে উদ্ভাসিত হয়
'নমো নাৰায়ণ' নাম উচ্চাৰিত হৈ ধৰা হওক অমৃতময়॥
"দাসকু দাসা ওঁহ অভিলাষা
কৃষ্ণৰ কিঙ্কৰ শঙ্কৰ তুমি
উদ্ধাৰি অসম মাতৃ-ভূমি
বিলালা অমৃত ৰস নামৰ মাধুৰী॥"

"মা মে স্ত্রীত্বং মা চ মে স্যাৎ কুভাবো
মা মূৰ্খত্বং মা কুদেশেষু জন্ম
মিথ্যা দৃষ্টিৰ্মা চ মে স্যাৎ কদাচিৎ
জাতৌ জাতৌ বিষ্ণুভক্তো ভবেয়ম্।"

"যথা তৰোমূ'ল নিষেচনেন
তৃপ্যন্তি তৎস্কন্ধ ভূজোপশাখাঃ।
প্ৰাণোপহাৰাচ্চ যথেন্দ্ৰিয়ানাং
তথাচ সৰ্ব্বাৰ্হনমুচ্যতেজ্যা॥"

—চাৰি—

ৰবীন্দ্ৰনাথ

["মরিতে চাহিনা আমি সুন্দর ভুবনে
মানবের মাঝে আমি বাঁচিবারে চায়।"]

হে কবি, হে মহাশক্তিমান শিল্পী।
ৰূপ গুণ মান আৰু ঐশ্বৰ্য্যৰ অধিকাৰী হৈ
ধনীৰ দুলাল ৰূপে জন্ম ল'লা ভাৰত ভূমিত,
কিন্তু মোহপূৰ্ণ
ভোগপূৰ্ণ আবেষ্টনী অনায়াসে পৰিত্যাগ কৰি
প্ৰকৃতি বুকুৰ সেই আশ্ৰম জীৱন তুমি বৰণ কৰিলা
তাৰেই মাজত
জীৱন বিকাশ হ'ল বিচিত্ৰ গতিত
প্ৰকৃতি বুকুৰ সেই আশ্ৰম খনিত।

হে কবি!

তোমাৰ অন্তৰস্থিত অসীম প্ৰেৰণাধাৰা
সীমনা লঙ্ঘণ কৰি বৈ গৈ সহস্ৰ ধাৰেৰে
সমগ্ৰ বিশ্বৰ হৃদি কৰিলে স্পন্দিত,
শ্ৰদ্ধাৰ নৈবেদ্য আজি সেই বাবে তোমাৰ স্মৃতিত।
অনাদি কালৰে পৰা প্ৰকৃতি বুকুত থকা অনন্ত ৰহস্য
সন্ধানী দৃষ্টিৰে তুমি নিৰীক্ষণ কৰি
অন্তৰ পৰশা ছন্দে প্ৰকাশ কৰিলা,
মহান স্বৰ্গৰ পৰা পৃথিৱীৰ ধূলিকণালৈ
অনন্ত আনন্দ তুমি উপলব্ধি কৰি
ৰোগৰ শয্যাত পৰি কত গীত কবিতা ৰচিলা।
হে সত্যদ্ৰষ্টা ঋষি!
তোমাৰ অক্ষয় কীৰ্ত্তি থাকিব সুদীৰ্ঘ কাল এই বসুধাত
ফুলি ৰ'ব স্মৃতিৰ শেৱালি গুণমুগ্ধ সবাৰেই মনো-বীথিকাত।

"শ্ৰদ্ধয়াদেয়ম্; অশ্ৰদ্ধয়াঽদেয়ম্;
শ্ৰিয়াদেয়ম্; হ্ৰিয়াদেয়ম্;
সংবিদাদেয়ম্।"

—পাঁচ—

জ্যোতিপ্ৰসাদ

[Beauty is truth, truth beauty, that is all ye
Know on earth and all ye need to know.
—Keats.]

শিল্পী জীৱনৰ সাতচল্লিশটি বছৰ। ইয়াৰ ভিতৰতেই ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদে "শিল্পী আৰু পৃথিৱী" নামৰ মধু ছন্দৰ এটি কবিতাত এই মৰ্ম্মে লিখিছিল—

"অ' পৃথিৱী শিল্পীক তই
মৰমকে কৰা নাই,
আদিৰ পৰা অনাবিল
শিল্পী দলেই মনে-প্ৰাণে,
আশাশুধীয়া চেনেহৰে
তোক যে ভাল পায়,
অ' পৃথিৱী শিল্পীক তই
মৰমকে কৰা নাই।"

শিল্পীয়ে জীৱন ওপচায় কিহৰ আনন্দত?
জয় ঘোষণা কৰে কাৰ? এই প্ৰশ্নৰ উত্তৰ
ৰূপকোঁৱৰে বিচাৰি পাইছিল পৃথিৱীৰ

প্ৰতি শিল্পীৰ হিয়াভৰা চেনেহৰ দানত—
"অ' পৃথিবী……মৰমকে কৰা নাই—।"

* * * *

কলাবিদ জ্যোতিপ্ৰসাদ—

চিৰচেনেহী মাতৃভাষাৰ মোহন পূজাৰী জ্যোতিপ্ৰসাদৰ গীত ৰচনা, গীতৰ ভাষা, সুৰ সংযোজনা আৰু ছন্দৰ লহৰ চেনেহী অসম মাতৃৰ বুকুত তৰঙ্গায়িত হৈ থকা যেন অনন্ত কালৰ অসমীয়া ধ্বনি। অসমীয়া জীয়াৰীহঁতে সখীয়েকৰ বিয়াত গোৱা হিয়াভৰা আনন্দৰ সুৰে জ্যোতিপ্ৰসাদৰ "শোণিত কুঁৱৰীত" ঠাই পালে—

"গছে গছে পাতি দিলে
ফুলৰে শৰাই ৰাম ৰাম
ফুলৰে শৰাই…।"

স্বপ্নময় জীৱনৰ সুকুমাৰ আলেখ্য লেখা জ্যোতি-প্ৰসাদৰ কল্পনাতেই চিত্ৰিত হ'ল—

"মোৰে জীৱনৰে সখা কৃষ্ণ ওই
বজাব কি সুৰে বেণু
কপালতে তোৰ কোনে আঁকি দিলে
ইন্দ্ৰধনু ………।"

আকৌ কোনোবা এদিন শেহ ৰাতি উঠি ফেলুজালি দিয়া আকাশত থুপি থুপি হৈ থকা শুকুলা ডাৱৰ দেখি জ্যোতিয়ে লিখিছিল—

"পুৱতী নিশাৰ শুকুলা ডাৱৰে
হানে চৰণতে ৰেণু,
তোৰ শ্যামল গাতে কোনে চন্দন পিন্ধালে
তোৰ ফুল কুমলীয়া তনু···।"

জ্যোতিৰ কল্পনাত আকাশৰ শুকুলা ডাৱৰ কৃষ্ণৰ চৰণত ঢালি দিয়া পুষ্পৰেণু হৈ জিলিকিল। সেয়ে আছিল জ্যোতিপ্ৰসাদৰ কৱিতাৰ লক্ষ্য, গীতৰ লহৰ···।

* * * *

সাহিত্যিক জ্যোতিপ্ৰসাদ—

ভাষা জননীৰ পূজাত আগবঢ়াই গ'ল জ্যোতিপ্ৰসাদে একাধিক নাটক, গল্প, গীত, বিচাৰ প্ৰবন্ধ, কবিতা আৰু জীৱন বৃত্তান্ত আদিৰ সম্ভাৰ। জ্যোতিপ্ৰসাদৰ সাতচল্লিশ বছৰীয়া চুটি জীৱনটোলৈ চাই সাহিত্য-ক্ষেত্ৰলৈ তেওঁৰ দান যথেষ্টই বুলিব লাগিব।

জ্যোতিপ্ৰসাদৰ নাট্য-প্ৰতিভাৰ অমৰ পৰিচয় "শোণিত কুঁৱৰী।" নাট্যামোদী সমাজক শোণিত কুঁৱৰীৰ বাহুল্য পৰিচয় দিয়া নিষ্প্ৰয়োজন। নিভাজ অসমীয়াৰ পটভূমিৰ ওপৰত প্ৰতিষ্ঠিত "কাৰেঙৰ লিগিৰী" জ্যোতিপ্ৰসাদৰ দ্বিতীয় খন নাট—কাল্পনিক—অথচ শিল্পী মনৰ পৰিচায়ক। প্ৰেমাস্পদৰ প্ৰতি

কৰ্ত্তব্য···সামাজিক অন্যায়ৰ প্ৰতি চোকা কাঁড়···নাটকৰ বিষয় বস্তু, নাট্যকাৰৰ উদ্দেশ্য। কাৰেঙৰ লাচনি-পাচনি কৰা লিগিৰীত ৰাজকোঁৱৰ মুগ্ধ হ'ল···কোঁৱৰে লিগিৰীক কুঁৱৰী পাতিব খুজিলে···ৰাজমাও চকিত হৈ পৰিল···প্ৰশ্ন উঠিল ৰাজকাৰেঙৰ মৰ্য্যাদাৰ···ৰাজবংশ তথা ৰাজমাওৰ সম্ভ্ৰমৰ; কিন্তু ঘটনা বৃদ্ধি পাই লিগিৰী নিজেই আঁতৰ হ'ল—ৰাজ কাৰেঙৰ পৰা, সুন্দৰ এই পৃথিৱীৰ পৰা।

তাৰ পাচত? এইবাৰ ৰাজচ'ৰা কঁপি উঠিল। ৰজা প্ৰজা মোহিত হ'ল আৰু নাট্যকাৰে ৰাজকোঁৱৰৰ মুখত দি গ'ল সুন্দৰৰ বাণী—

"বুজালি···শেৱালি, মোক বুজালি···জীৱনবে বুজালি, মৰণৰে বুজালি, মোৰ জীৱন যজ্ঞত তোৰ জীৱন আহুতি দিলি। ত্যাগৰ মুকুটেৰে উজলি শেৱালি গোসানী মোৰ, জীৱন শুদাকৈ কাৰ আহ্বানত সৃষ্টিৰ ইন্দ্ৰজাল ভেদি কোন ব্ৰহ্মাণ্ডলৈ উফৰি গলি? বিশ্ব জগতৰ সকলো তিৰোতাৰ গালত কি সেন্দুৰ সানি গলি? পৰ্ব্বতৰ গায়ে গায়ে, নিজৰাৰ পাৰে পাৰে, বিচাৰি যাওঁ, পৰ্ব্বতৰ নিজৰাৰ পানী সিচি নিজৰা শুকুৱাই শেৱালিক চাকনৈয়াৰ বুকু ফালি মোক আনি নিদিয়া কিয়···?"

জীৱনৰ কঠোৰ প্ৰায়শ্চিত্ত যেন এই কেইষাৰ কথা-ৰেই ৰাজকোঁৱৰে কৰিলে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে শিল্পীৰ দৃষ্টিৰে চাইছিল বস্তুৰ ফলাফল। মূল উদ্দেশ্য

আছিল—অন্যায়ৰ প্ৰতিবাদ প্ৰণয়ৰ মৰ্য্যাদা দান আৰু সমাজৰ সংস্কাৰ সাধন।

দেশপ্ৰেমিক জ্যোতি—

মুক্তিমেধৰ মহান হোতা দেশপ্ৰেমিক জ্যোতিয়ে গাইছিল—

"মুক্তিমেধৰ মহান যজ্ঞৰ
নেজ্বাল ফিৰিঙতি চাই
আই……আই…
লুইতৰ পাৰৰ আমি ডেকা লৰা
মৰিবলৈ' ভয় নাই।"

মৰণ-বিজয়ী জ্যোতিৰ এই অগ্নি সুৰে লুইতৰ দুয়ো পাৰৰ তৰুণ তৰুণীৰ হিয়াত স্বদেশ প্ৰেমৰ অগনি জ্বলাই আমাক দান দিলে—গহপুৰৰ কনকলতা আদি অলেখ বীৰ-বীৰাঙ্গণা। আমি জ্যোতিপ্ৰসাদৰ পবিত্ৰ স্মৃতি স্মৰণ কৰো।

হে জ্যোতি! অসমৰ আকাশত
হৈ থাকা এগছি শলিতা
চিৰ জ্যোতিষ্মান,
দেখুৱাই মাতৃ-মন্দিৰৰ
প্ৰতিটি সোপান।

"……নমঃ সৰ্ব্বস্যৈতে
তস্মিদংমতিসৰ্ব্বায় চ নমঃ।"

Please handle the book carefully.

কাব্য-ভূমি

সাহিত্য আৰু সমালোচনা পদ্ধতি

অধ্যাপক
উমাকান্ত শৰ্ম্মা এম. এ.

চপলা বুক ষ্টল
পুস্তক বিক্রয় প্রতিষ্ঠান
শিলং

কাব্য-ভূমি

সাহিত্য আৰু সমালোচনা পদ্ধতি

অধ্যাপক
উমাকান্ত শৰ্ম্মা এম. এ.

চপলা বুক ষ্টল
পুস্তক বিক্ৰয় প্ৰতিষ্ঠান
শিলং